# মুকুল কুমাৰ শৰ্মাৰ কবিতা

**সেয়াই ভালপোৱা**

সেয়াই ভালপোৱা—
যেতিয়া তুমি তেওঁৰ সৈতে অন্তৰেৰে কথা কোৱা
কেতিয়াবা হাঁহি উঠে,
কেতিয়াবা দুচকু ভৰি আহে...
মৰম মিহলি শান্তিৰ নীলিমত সাঁতুৰি-নাদুৰি
ইজেনে সিজনক সাৱটি
মুক্তিৰ বিষাল ৰামধেনুৰ আকাশত উৰি
অসীমলৈ গুচি যাবলৈ...

**যাত্ৰাৰ সহচৰ**

এখন পাল তৰা নাও
ব'ঠা বাই যাওঁ
বাই যাওঁ লুইতৰ
হেঙুলী সোঁতৰ স'তে
লাহে লাহে, আবেশেৰে...
লহৰত তিৰ-বিৰ সূৰুযৰ আভাত
উজলে চকুৰ মণি...
কাষত যাত্ৰাৰ সহচৰ—
ৰামধেনুৰ দলং
পাৰ হোৱাৰ লগৰী...

**মন নাচিছে**

নৈৰ কাষৰ কঁহুৱাই হালিছে জালিছে
শাৰদী ৰ'দত গা ধুই
যেন মতলীয়া হৈ পৰিছে দুৰ্গাৰ আগমনত...
মোৰো মনে চোন বাৰে বাৰে নাচি উঠিছে
লগ পাবলে' লুইতপৰীয়া চেনাই ধনক...